**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ৫৭৬/২০১৯**

# বিশিষ্ট শিক্ষাবিদ, বি এইচ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সত্য নাথ দাসৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৬ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ ঐতিহ্যমণ্ডিত বি এইচ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ সত্য নাথ দাসৰ বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱন কালত প্ৰয়াত সত্য নাথ দাসে বৃহত্তৰ হাউলী, বৰপেটা ৰোড অঞ্চলৰ শৈক্ষিক উত্তৰণৰ দিশত বিশিষ্ট বৰঙণি আগবঢ়াই গৈছে। বি এইচ মহাবিদ্যালয়ক এখন পূৰ্ণাঙ্গ তথা আগশাৰীৰ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠিত কৰাৰ দিশত প্ৰয়াত সত্য নাথ দাসে যি অৰিহণা আগবঢ়াই গৈছে সেয়া সমগ্ৰ বৰপেটা জিলাৰ লগতে অসমবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। তদুপৰি প্ৰয়াত সত্য নাথ দাসে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি আমাৰ সমাজ জীৱনলৈও যথেষ্ট অৱদান আগবঢ়াই গৈছে। এই গৰাকী বিশিষ্ট শিক্ষাবিদৰ বিয়োগ আমাৰ শৈক্ষিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে বিশিষ্ট শিক্ষাবিদ গৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে বিশিষ্ট শিক্ষাবিদ তথা ঐতিহ্যমণ্ডিত বি এইচ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সত্য নাথ দাসৰ বিয়োগত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়েও গভীৰ শোক প্ৰকাশ কৰিছে।

এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে প্ৰয়াত সত্য নাথ দাসে শৈক্ষিক, সামাজিক, সাংস্কৃতিক জীৱনলৈ যি অৱদান আগবঢ়াই গ'ল সেয়া শ্ৰদ্ধাৰে স্মৰণ কৰাৰ উপৰি তেখেতৰ বিয়োগ আমাৰ বিদ্যায়তনিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও কয়।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে বিশিষ্ট শিক্ষাবিদ গৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / পুঃডেঃ**
**৬/১২/২০১৯**